# ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচী অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ শুকুৰবাৰে অন্ত পৰে। মহাবিদ্যালয়খনৰ উদ্যোগত গুৱাহাটীৰ অমিয় কুমাৰ দাস ইন্‌ষ্টিটিউট অৱ ছ'চিয়েল চেঞ্জ এণ্ড ডেভেলপমেণ্টৰ সহযোগত মহাবিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত কৰ্মশালা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিকালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰশান্ত চক্ৰৱৰ্তীয়ে। কৰ্মশালাত আদৰণী ভাষণ দিয়ে অধ্যক্ষ ড° মনোজ কুমাৰ গগৈয়ে। কৰ্মশালাৰ শেষৰ দিনা সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপক জয়দীপ বৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন কুমাৰ শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ ড° মনজিত বৰঠাকুৰ, ভূপেন হাজৰিকা স্কুল অৱ মাছ কমিউনিকেশ্বনৰ অধ্যাপক জয়ন্ত কুমাৰ শৰ্মা, ড° প্ৰফুল্ল কুমাৰ নাথ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° কুলদীপ পাটোৱাৰী। আনহাতে কৰ্মশালাত জেবি কলেজ, জেচিবি গাৰ্লছ কলেজ, টীয়ক কলেজ, ৰয়েল গ্ল'বেল ইউনিভাৰ্ছিটী, সুৰেন্দ্ৰ দাস কলেজ, ছয়গাঁও কলেজ আৰু মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ।